**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-02-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বক ভাৰতত বিনিয়োগ কৰিবলৈ আৰু ভাৰতৰ যুৱ শক্তিৰ প্ৰতি বিশ্বাস ৰাখিবলৈ আহ্বান জনাইছে।

২। সমগ্ৰ দেশত আজি সন্ত ৰবীদাসৰ জয়ন্তী পালন কৰা হৈছে।

৩। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত মাঘি পূৰ্ণিমাৰ স্নান সুকলমে চলি আছে।

৪। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কিছুসময়ৰ পূৰ্বে আৰম্ভ হৈছে।

আৰু

৫। ভাৰতে চীনৰ চিংডাওত অনুষ্ঠিত এছিয়া মিক্সড টীম বেডমিণ্টন প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে।

০০০০০

ভাৰতে কৃত্ৰিম বুদ্ধিমত্তা ক্ষেত্ৰত যথেষ্ট প্ৰগতি কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। গুগ'লৰ মুখ্যকাৰ্যবাহী বিষয়া সুন্দ পিচাইক সাক্ষাৎ কৰাৰ পাছত প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে বিশ্বক ভাৰতত বিনিয়োগ কৰিবলৈ আৰু ভাৰতৰ যুৱ শক্তিৰ প্ৰতি বিশ্বাস ৰাখিবলৈ আহ্বান জনায়।

শ্ৰীপিচাইয়ে এই বৈঠক আনন্দদায়ক বুলি অভিহিত কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত গুগ'লৰ মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে কয়, যে এই বৈঠকত তেওঁলোকে কৃত্ৰিম বুদ্ধিমত্তাই ভাৰতৰ বাবে কঢ়িয়াই অনা অবিশ্বাস্য সুযোগ গ্ৰহণ কৰি ভাৰতৰ দিজিটেল ৰূপান্তৰৰ ক্ষেত্ৰত ঘনিষ্ঠভাৱে কাম কৰিব পৰা উপায়সমূহৰ বিষয়ে আলোচনা কৰে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদী আজি পুৱা দক্ষিণ ফ্ৰান্সৰ মাৰ্চেইত উপস্থিত হয়। মাৰ্চেইত থকা প্ৰবাসী ভাৰতীয় সম্প্ৰদায়ে প্ৰধানমন্ত্ৰীগৰাকীক বিপুল আদৰণি জনায়। প্ৰধানমন্ত্ৰী মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ৱে দুয়োখন দেশৰ শক্তিশালী অংশীদাৰিত্বক আগুৱাই নিয়াৰ উদ্দেশ্যে আজি দেশখনৰ কেইবাটাও অনুষ্ঠানত ভাগ ল'ব। দুয়োগৰাকী নেতাই যুটিয়াভাৱে মাৰ্চেইত ভাৰতীয় দূতাবাস মুকলি কৰে। এই দূতাবাসে দক্ষিণ ফ্ৰান্সত থকা প্ৰবাসী ভাৰতীয় সম্প্ৰদায়ৰ লোকক উপকৃত কৰাৰ লগতে ই ভাৰত-মধ্যপূব-ইউৰোপৰ অৰ্থনৈতিক কৰিডৰ হিচাপেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ইয়াৰোপৰি দুয়োগৰাকী নেতাই আজি আন্তঃৰাষ্ট্ৰীয় তাপ পাৰমাণৱিক পৰীক্ষা ৰিয়েক্টৰ পৰিদৰ্শন কৰিব। এই তাপ পাৰমাণৱিক পৰীক্ষা ৰিয়েক্টৰৰ লক্ষ্য হৈছে বিশ্বব্যাপি লাভৰ বাবে পাৰমাণৱিক শক্তিক ব্যৱহাৰ কৰা। স্বচ্ছ শক্তিৰ ব্যৱহাৰত গুৰুত্ব দিয়া এই প্ৰকল্পত ভাৰতে ২০০৫ চনত আনুষ্ঠানিকভাৱে যোগ দিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পেৰিছত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে ইষ্টোনিয়াৰ ৰাষ্ট্ৰপতি এলাৰ কেৰিছক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতা মাজত এয়া প্ৰথমটো

সাক্ষাৎকাৰ আছিল। প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি কেৰিছে গণতন্ত্ৰ, আইনৰ শাসন আৰু স্বাধীনতাৰ মূল্যবোধ তথা বহুবাদিত্বৰ আধাৰত দুয়োখন দেশৰ মাজত থকা গভীৰ আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ বিষয়ে আলোকপাত কৰে। নেতা দুগৰাকীয়ে বাণিজ্য আৰু বিনিয়োগৰ লগতে তথ্য প্ৰযুক্তি আদি বিভিন্ন খণ্ডত উভয় ৰাষ্ট্ৰৰ দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি পোৱাৰ বাবে সন্তোষ প্ৰকাশ কৰে। তেওঁলোকে সম্প্ৰতি চাইবাৰ নিৰাপত্তা খণ্ডত অব্যাহত থকা দ্বিপাক্ষিক সহযোগিতাৰ বিষয়েও আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ইষ্টোনিয়া চৰকাৰ আৰু ইয়াৰ কোম্পানীসমূহক ভাৰতে আগবঢ়োৱা ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীসমূহৰ সুযোগ গ্ৰহণ কৰি দেশৰ বিকাশত সহযোগিতা আগবঢ়োৱাৰ বাবেও আমন্ত্ৰণ জনায়। দুয়োগৰাকী নেতাই ভাৰত আৰু ইউৰোপীয় সংঘৰ কৌশলগত সহযোগিতা সন্দৰ্ভতো ভাৰত আৰু ইষ্টোনিয়াৰ অংশীদাৰিত্বৰ গুৰুত্ব সম্পৰ্কে উল্লেখ কৰে। নেতা দুগৰাকীয়ে ৰাষ্ট্ৰসংঘত সহযোগিতাকে ধৰি দ্বিপাক্ষিক গুৰুত্ব বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভতো মত বিনিময় কৰে।

00000

সমগ্ৰ দেশত আজি সন্ত ৰবীদাসৰ জয়ন্তী পালন কৰা হৈছে। ৰবীদাস চতুৰ্দশ শতিকাৰ এগৰাকী মহান সন্ত আৰু উত্তৰ ভাৰতৰ শক্তি আন্দোলনৰ প্ৰতিষ্ঠাতা আছিল। হিন্দু দীনপঞ্জী অনুসৰি মৰ্ঘ মাহৰ পূৰ্ণিমাৰ দিনা ৰবীদাস জয়ন্তী পালন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কৈছে যে ৰবীদাস এগৰাকী মহান সন্ত আছিল আৰু তেওঁ নিজৰ লিখনিৰ মাজেৰে একতা আৰু ভাতৃত্ববোধৰ বাৰ্তা দিছিল।

0000

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত মাঘি পূৰ্ণিমাৰ স্নান সুকলমে চলি আছে। কল্পবাসৰ প্ৰথাৰ সামৰণি প্ৰতীকস্বৰূপ এই স্নানৰ বিশেষ গুৰুত্ব আছে। চলিত বৰ্ষত কল্পবাস সম্পূৰ্ণ কৰা  দহ লাখৰো অধিক লোকে এই স্নানত ভাগ ল'ব। ধৰ্মীয় বিশ্বাস অনুসৰি ত্ৰিবেণী সংগমৰ পাৰত মাঘি পূৰ্ণিমালেকে  মহাকুম্ভৰ সময়ত কল্পবাস খাতিলে  হেজাৰ হেজাৰ বছৰৰ তপস্যাৰ ফল পোৱা যায়।

0000

মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখক জয়ন্তী উপলক্ষে আজি অসমৰ বিভিন্ন প্ৰান্তত কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, দৰং জিলা প্ৰশাসন, কোচ-ৰাজবংশী উন্নয়ন পৰিষদ আৰু সদৌ অসম কোচ ৰাজবংশী সন্মিলনৰ সহযোগত মঙলদৈৰ গান্ধী মৈদানত আজি কেন্দ্ৰীয় কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু বিজেপি ডিব্ৰুগড় জিলা সমিতিয়ে আজিৰ পৰা ডিব্ৰুগড়ত দুদিনীয়া কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰিছে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। কাৰ্যসূচীৰ অংশহিচাপে বিশিষ্ট কবি বিজু শৰ্মাক বীৰ চিলাৰায় বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত কমতা শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

চিৰাং জিলাতো শৌৰ্য আৰু বীৰত্বৰ প্ৰতিভূ কোচ ৰাজ্যৰ সেনাপতি মহাবীৰ চিলাৰায়ৰ জয়ন্তী পালন কৰা হৈছে।  বিজেপিৰ চিৰাং জিলা সমিতিয়ে আজি দলটোৰ জিলা কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে দিৱসৰ আয়োজন কৰিছে। একেদৰে সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বিজনী মহকুমা সমিতিৰ কাৰ্যালয়ৰ প্ৰাংগণত

কেইবাটাও সংগঠন কেন্দ্ৰীয়ভাৱে এই অনুষ্ঠানৰ আয়োজন কৰিছে। কোচ ৰাজবংশী জাতীয় পৰিষদে বিজনীৰ চোৰাৰী বড়িপাৰাত চিলাৰায় দিৱস উদযাপন কৰিছে। বঙাইগাঁও জিলাৰ বিভিন্ন স্থানত দিনজোৰা কাৰ্যসূচীৰে চিলাৰায় দিৱস উদযাপন কৰা হৈছে। জিলাখনৰ খোড়াগাঁও ৰাজহুৱা খেলপথাৰত কেইবাটাও সংগঠণৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একেদৰে কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগতো দিৱস উদযাপন দিহা কৰা হৈছে। এই অনুষ্ঠানত কোচ ৰাজবংশী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি অৰুণ কুমাৰ ৰায়ক মৰণোত্তৰভাৱে চলিত বৰ্ষৰ বীৰ চিলাৰায় বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

অসমৰ ঔদ্যোগিক আৰু আন্তঃগাঁথনি শক্তিশালী কৰাৰ লক্ষ্যৰে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত আয়োজিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে পূৰ্ণগতিত প্ৰস্তুতি অব্যাহত আছে। এই সন্মিলনৰ অংশহিচাপে অহা ২৪ ফেব্ৰুৱাৰীত সৰ্ববৃহৎ ঝুমুৰ নৃত্যৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত আয়োজিত ঝুমুইৰ বিনন্দিনী কাৰ্যসূচীত ৰাজ্যখনৰ ৮ হাজাৰতকৈ অধিক চাহ বাগিচাৰ শিল্পীয়ে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও এই অনুষ্ঠানত উপস্থিত থকাৰ কথা। বিভিন্ন জিলাত ইতিমধ্যে শিল্পীসকলক বাছনি কৰি মূল কাৰ্যসূচীৰ বাবে অনুশীলন অব্যাহত ৰাখিছে। এই উপলক্ষে কালিৰে পৰা বৰাক উপত্যকাৰ ৩ খন জিলাৰ পৰা এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া ৩৪৬ গৰাকী নিৰ্বাচিত শিল্পীৰ বাবে এখন মাণ্ডলিক ঝুমুৰ নৃত্যৰ কৰ্মশালা আৰম্ভ হৈছে। জিলা পৰ্যায়ৰ অনুশীলনসমূহ ৰাজ্যখনৰ বিভিন্ন মন্ত্ৰীয়ে পৰ্যবেক্ষণ কৰি আছে। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু কৌশিক ৰায় কালি শিলচৰৰ কৰ্মশালাত উপস্থিত থাকে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ ঠাই বিশেষে বিজুলী-ঢেৰেকণীৰে বৰষুণ দিব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে অৰুণাচল প্ৰদেশৰ কেতবোৰ ঠাইত ধাৰাষাৰ বৰষুণ বা তুষাৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। ০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কিছুসময়ৰ পূৰ্বে আৰম্ভ হৈছে। খেলখনত ইংলেণ্ডে টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈকে ১ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৬ ৰান সংগ্ৰহ কৰি খেলি আছিল।

০০০০

ভাৰতে ইতিমধ্যে প্ৰথম দুখন খেলত জয়লাভ কৰি শৃংখলাত ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। আনহাতে আজিৰ খেলখনতো জয়লাভ কৰি ৩-০ ফলাফলেৰে শৃংখলা জয়ৰ চেষ্টা কৰিব।

০০০০০

ভাৰতে চীনৰ চিংডাওত অনুষ্ঠিত এছিয়া মিক্সড টীম বেডমিণ্টন প্ৰতিযোগিতাত মাকাউৰ বিৰুদ্ধে ৫-০ ফলাফলত জয়েৰে অভিযান আৰম্ভ কৰিছে। ভাৰতৰ সতীশ কুমাৰ কৰুণাকৰণ আৰু আদ্যা বৰীয়াথে মিক্স ডাবলছৰ প্ৰথমখন খেলত ইয়ক ছং লিয়ং আৰু ৱেং চি এন জিক ২১-১০, ২১-৯ গেমত পৰাস্ত কৰে। ইয়াৰ পাছত লক্ষ্য সেনে পুৰুষৰ ছিংগলছৰ এখন খেলত চীনৰ পেং ফোং পুইক ২১-১৬, ২১-১২ গেমত পৰাভূত কৰে। মহিলাৰ ছিংগলছত মালবিকা বনছোড়ে হাঅ' ৱাই চানৰ বিৰুদ্ধে ২১-১৫, ২১-৯ গেমত জয়লাভ

কৰি অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। পুৰুষৰ ডাবলছত এম আৰ অৰ্জুন আৰু চিৰাগ ছেত্ৰীয়ে চীন প'ন পুই আৰু ক'ক ৱেন ৱোঙৰ যুটিটোক ২১-১৫, ২১-১৯ গেমত পৰাস্ত কৰে। একেদৰে মহিলাৰ ডাবলছত ত্ৰিষা জলি আৰু গায়ত্ৰী গোপীচান্দে চীনৰ এন জি ৱেং চি আৰু পুই চি ৱাৰ যুটিটোৰ বিৰুদ্ধে ২১-১০, ২১-৫ গেমত জয়লাভ কৰে। এই জয়ৰ সুবাদত ভাৰতে প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰত গ্ৰুপ পৰ্যায়ৰ পৰবৰ্তী খেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলেৰে গ্ৰুপৰ বিজয় দল কোন হ'ব সেয়া নিশ্চিত হ'ব। ০০০০